**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-01-2026
**Time :** 19-10  Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত অনুষ্ঠিত বাগৰুম্বা দহৌ উৎসৱ তেওঁৰ বাবে কেতিয়াও পাহৰিব নোৱাৰা অভিজ্ঞতা বুলি মন্তব্য কৰিছে।

২।	ভাৰতীয় ৰে'ল বিভাগে পৰৱৰ্তী দুবছৰত ৭ হাজাৰ ৯০০ কিলোমিটাৰতকৈও অধিক পথ নৱীকৰণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে বুলি ৰে'ল মন্ত্ৰালয়ে সদৰী কৰিছে।

৩।	বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰা হ'ব।

৪।	পাকিস্তানৰ কৰাচীৰ এটা শ্বপিং মলত কালি সংঘটিত এটা বৃহৎ অগ্নিকাণ্ডত ছগৰাকী লোক নিহত হোৱাৰ লগতে ১২ গৰাকীতকৈও অধিক লোক আহত হয়।

*আৰু*

৫।	ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ এদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি অনুষ্ঠিত  তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ৩৩৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত অনুষ্ঠিত বাগৰুম্বা দহৌ উৎসৱ তেওঁৰ বাবে কেতিয়াও পাহৰিব নোৱাৰা অভিজ্ঞতা বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত তেওঁ কয়, যে এই অনুষ্ঠানৰ চৌৰে সমগ্ৰ দেশক স্পৰ্শ কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ লোকে ঐশ্চৰ্য্যশালী তথা মহান এই সংস্কৃতিক প্ৰশংসা কৰা বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে অনুষ্ঠানত প্ৰদৰ্শিত প্ৰাণৱন্ত বড়ো সংস্কৃতিৰ ওপৰত আলোকপাত কৰি ১০ হাজাৰতকৈও অধিক লোকৰ অংশগ্ৰহণ তথা লেজাৰ শ্বোৰ বিষয়েও উল্লেখ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ হুগলী জিলাৰ ছিংগুৰত এখন জনসভাত অংশগ্ৰহণ কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে পশ্চিমবঙ্গৰ যুৱচাম কৃষক তথা মহিলাসকলৰ প্ৰগতিৰ হকে অবিৰতভাৱে কাম কৰিছে। ৰাজ্যখনৰ সকলো প্ৰান্ততে জীৱিকাৰ সুবিধাসমূহ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে কেইবাখনো উন্নয়নমূলক আঁচনি মুকলি কৰা বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে ছিংগুৰত ৮৩০ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছুসংখ্যক প্ৰকল্প পতাকা জোকাৰি মুকলি কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এখন উৰণ সেতু, আন্তঃৰাজ্যিক জল পৰিবহণ টাৰ্মিনেলকে ধৰি বালাগড়ত সম্প্ৰসাৰিত পৰ্টগেট ব্যৱস্থাৰ আধাৰশিলাও স্থাপন কৰে। অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ এই প্ৰকল্পসমূহে ৰাজ্যখনৰ উন্নয়ন ত্বৰান্বিত কৰিব। তেওঁ

কয়, যে পূব ভাৰতক এখন উন্নত অঞ্চললৈ পৰ্য্যবসিত কৰাৰ লক্ষ্যেৰে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। প্ৰায় ৯০০ একৰ ভূমি আৱৰি থকা বালাগড়ক বাৰ্ষিক ২৭ লাখ টন সামৰ্থ্যসহ আধুনিক কাৰ্গ' সৰবৰাহৰ টাৰ্মিনেললৈ উন্নীত কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে নগৰ অঞ্চলৰ পৰা গধুৰ ৰচদ-পাতিসমূহৰ সৰবৰাহৰ পৰিমাণ হ্ৰাস কৰি এই ক্ষেত্ৰত সুচলতা অনাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ জৰিয়তে ক'লকাতা মহানগৰৰ প্ৰদূষণৰ লগতে যান-জঁট হ্ৰাস পোৱাকে ধৰি পথ সুৰক্ষা ত্বৰান্বিত হ'ব বুলি আশা কৰা হৈছে। তদুপৰি, এই উন্নত যোগাযোগ ব্যৱস্থাৰ জৰিয়তে আঞ্চলিক উদ্যোগ তথা কৃষি খণ্ড উপকৃত হ'ব। এই প্ৰকল্পই প্ৰত্যক্ষ তথা পৰোক্ষভাৱে নিয়োগৰ সুবিধাও সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে বিগত ১১ বছৰত ক'লকাতাৰ শ্যামা প্ৰসাদ মুখাৰ্জী বন্দৰৰ সামৰ্থ্য বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰচেষ্টা চলাই আছে। ৰাজ্যখনৰ জল পৰিবহণ খণ্ডৰ উন্নতিৰ বাবে কেন্দ্ৰই সকলো সমৰ্থন আগবঢ়োৱা বুলিও তেওঁ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে ক'লকাতাত অত্যাধুনিক বৈদ্যুতিক জাহাজ এখনো মুকলি কৰে। উল্লেখযোগ্য যে, কোচিন চিপিয়াৰ্ড লিমিটেডে আন্তঃৰাজ্যিক জল পৰিবহণৰ অৰ্থে নিৰ্মাণ কৰা ৬ খন বৈদুতিক কেটামাৰণৰ ভিতৰত এইখন অন্যতম।

প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ শাসনাধিষ্ঠিত চৰকাৰখনক সমালোচনা কৰি কয়, যে চৰকাৰখনে কেন্দ্ৰীয় আঁচনিসমূহৰ ৰূপায়ণত প্ৰতিবন্ধকতা আৰোপ কৰি স্থানীয় লোকসকলক উপকৃত হোৱাৰ পৰা বঞ্চিত কৰিছে। ৰাজনৈতিক শত্ৰুতাৰ পৰিধি নেওচি উন্নয়নমূলক কাম-কাজসমূহৰ ব্যাপ্তি হোৱা উচিত বুলি তেওঁ উল্লেখ কৰে।

০০০০০

ভাৰতীয় ৰে'ল বিভাগে পৰৱৰ্তী দুবছৰত ৭ হাজাৰ ৯০০ কিলোমিটাৰতকৈও অধিক পথ নৱীকৰণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। ৰে'ল মন্ত্ৰালয়ে আজি এই কথা সদৰী কৰি কয়, যে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ হাজাৰ ৫০০ কিলোমিটাৰতকৈও অধিক ৰে'লপথ নৱীকৰণৰ কাম অব্যাহত আছে। বিগত বৰ্ষত ছহেজাৰ ৮০০ কিলোমিটাৰতকৈও অধিক ৰে'লপথ নৱীকৰণৰ কাম সম্পন্ন হোৱা বুলিও মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়ে। ২০১৪ চনত দ্ৰুত গতিৰ ৰে'লপথ ৩১ হাজাৰ কিলোমিটাৰ আছিল বুলি প্ৰকাশ কৰি মন্ত্ৰালয়ে কয়, যে বৰ্তমান এই সংখ্যা দুগুণ হৈ ৮৪ হাজাৰ কিলোমিটাৰ অতিক্ৰম কৰিছে আৰু ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ ৮০ শতাংশ পথতেই সম্প্ৰতি ঘণ্টাত ১১০ কিলোমিটাৰতকৈও অধিক বেগেৰে ৰে'ল চলাচল সম্ভৱ হৈ উঠিছে। বিগত ১১ বছৰত ৰে'ল বিভাগে পথ আন্তঃগাঁথনি শক্তিশালী কৰাৰ লগতে বহনক্ষম বিনিয়োগৰ জৰিয়তে নিৰাপত্তা ব্যৱস্থা ত্বৰান্বিত কৰিছে বুলিও মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে।

০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়নসমূহ কাইলৈ দাখিল কৰা হ'ব। দলটোৰ ৰাষ্ট্ৰীয় ৰিটাৰ্ণিং বিষয়া কে লক্ষ্মণে প্ৰকাশ কৰা নিৰ্বাচনসূচী অনুসৰি, কাইলৈ দিনৰ ২ বজাৰ পৰা ৪ বজাৰ ভিতৰত মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। মনোনয়ন পত্ৰসমূহ বিয়লি ৪ বজাৰ পৰা পৰীক্ষা কৰা হ'ব। সন্ধিয়া ৬ বজা পৰ্য্যন্ত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন প্ৰক্ৰিয়াৰ অন্তত প্ৰয়োজনত পৰহিলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

তৃণমূল কংগ্ৰেছে দেশৰ সংবিধান ধ্বংস কৰা বুলি কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে অভিযোগ উত্থাপন কৰিছে। পশ্চিমবঙ্গৰ বিজেপি গোটে সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তা পুনৰ প্ৰচাৰ

কৰি শ্ৰীৰিজিজুৱে কয়, যে দলটোৱে দেশৰ নাগৰিকসকলৰ মৌলিক অধিকাৰ কাঢ়ি অবৈধ প্ৰব্ৰজনকাৰীসকলক সুৰক্ষা দিছে। তৃণমূল কংগ্ৰেছৰ শাসনাধীন পশ্চিমবঙ্গত কোনো আইনৰ শাসন নাই বুলিও তেওঁ অভিযোগ কৰে। দেশৰ সংবিধানৰ সুৰক্ষাৰ বাবে সকলোকে কাম কৰিবলৈ তেওঁ আহ্বান জনায়।

ooooo

পাকিস্তানৰ কৰাচীৰ এটা শ্বপিং মলত কালি সংঘটিত এটা বৃহৎ অগ্নিকাণ্ডত ছগৰাকী লোক নিহত হোৱাৰ লগতে ১২ গৰাকীতকৈও অধিক লোক আহত হয়। দেশখনৰ স্বাস্থ্য বিষয়াই সদৰী কৰা অনুসৰি, অসামৰিক চিকিৎসালয়ৰ ট্ৰ'মা কেন্দ্ৰত কমেও ৪ গৰাকী আৰু জুয়ে পোৰা চিকিৎসা গোটত দুগৰাকী লোকক ভৰ্তি কৰোৱা হয়। অগ্নি নিৰ্বাপণৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত আছে বুলি উদ্ধাৰকাৰী বিষয়াই প্ৰকাশ কৰিছে। অতি উষ্ণ তাপমাত্ৰাৰ বাবে ভৱনটো এতিয়াও প্ৰৱেশসাধ্য হোৱা নাই যদিও উদ্ধাৰ অভিযান অব্যাহত আছে। অগ্নি নিৰ্বাপক বাহিনীৰ বিষয়াই ভৱনটোৰ ভিতৰত কিছু লোক এতিয়াও আৱদ্ধ হৈ থাকিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে।

ooooo

আমিৰিকা যুক্তৰাষ্ট্ৰই গ্ৰীণলেণ্ড অধিগ্ৰহণ কৰাৰ সম্ভাৱনা সন্দৰ্ভত বিৰোধিতা কৰা ৮ খন ইউৰোপীয় দেশৰ ওপৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৰ আৰোপ কৰাৰ বিষয়ে ঘোষণা কৰাৰ পাছত আজি ব্ৰুচেলছত এখন জৰুৰী বৈঠক আয়োজন কৰাৰ বাবে ইউৰোপীয় সংঘ সাজু হৈছে। ইউৰোপীয় সংঘৰ ২৭ খন সদস্য ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতে এই সন্দৰ্ভত আলোচনা কৰিব। ট্ৰাম্পে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰে যে, অহা পহিলা ফেব্ৰুৱাৰীৰ পৰা ফিনলেণ্ড, নেডাৰলেণ্ডছ, ব্ৰিটেইন, জাৰ্মানী, ফ্ৰান্স, ছুইডেন, নৰৱে আৰু ডেনমাৰ্কৰ ক্ষেত্ৰত ১০ শতাংশ কৰ বলবৎ হ'ব। অহা পহিলা জুনৰ পৰা এই কৰৰ হাৰ ২৫ শতাংশলৈ বৃদ্ধি হ'ব বুলি প্ৰকাশ কৰি তেওঁ কয়, যে আমেৰিকাই যুক্তৰাষ্ট্ৰই গ্ৰীণলেণ্ড ক্ৰয় নকৰালৈকে এই কৰ বাহাল থাকিব। ট্ৰাম্পে গ্ৰীণলেণ্ডৰ ভৌগোলিক অৱস্থানৰ কৌশলগত গুৰুত্ব তথা দেশখনৰ ঐশ্চৰ্য্যশালী খনিজ সম্পদৰ বিষয়েও অলপতে উল্লেখ কৰিছিল। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰে এই পদক্ষেপক সম্পূৰ্ণ ভুল আখ্যা দিয়াৰ লগতে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'য়ো এয়া গ্ৰহণযোগ্য নহয় বুলি প্ৰকাশ কৰিছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছ তথা ড'নাল্ড ট্ৰাম্পৰ ৰিপাব্লিকান পাৰ্টীৰ সদস্য ৰিটছ মেককৰ্মিকে কয়, যে ভাৰতে আমেৰিকাত বিনিয়োগ কৰাৰ বিপৰীতে ইছলামাবাদে কেতিয়াও আমেৰিকাত বিনিয়োগ নকৰে। কৌশলগত আৰু আন্তঃৰাষ্ট্ৰীয় অধ্যয়ন কেন্দ্ৰই আয়োজন কৰা এটা অনুষ্ঠানত ভাষণ দি মেককৰ্মিকে কয়, যে ভাৰতক এৰি চলিলে আমেৰিকানসকলৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিব। ভাৰতৰ অৰ্থনৈতিক আৰু কৌশলগত গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি মেককৰ্মিকে কয়, যে ৩০ কোটি জনসংখ্যাৰ দেশ পাকিস্তানে আমেৰিকাত বিনিয়োগ নকৰে। ইয়াৰ বিপৰীতে আমেৰিকাত বিনিয়োগ কৰাৰ ক্ষেত্ৰত ভাৰতক প্ৰশংসা কৰি তেওঁ কয়, যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ সম দৃষ্টিভংগী পোষণ কৰা দেশ। সহযোগিতা আৰু বাণিজ্যৰ ক্ষেত্ৰত সততাৰ গুৰুত্ব সন্দৰ্ভতো তেওঁ আলোকপাত কৰে।

ooooo

-    বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিনেটৰ ষ্টীভ ডেইনছ্ৰ সৈতে এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে বৈঠকত উভয় পক্ষই দ্বিপাক্ষিক সম্পৰ্কৰ কৌশলগত তাৎপৰ্য্য সন্দৰ্ভত মুকলি আলোচনাত মিলিত হয়।

ooooo

জম্মু-কাশ্মীৰৰ কিশ্বত্বাৰ জিলাৰ দুৰ্গম বনাঞ্চলত আজি নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত গুলিয়াগুলিৰ ঘটনা সংঘটিত হয়। জিলাখনৰ চিংপোৰ গাঁৱত এই ঘটনা সংঘটিত হোৱা বুলি আমাৰ জম্মুৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত আজি অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ৩৩৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত হাৰি প্ৰথমে বেট ধৰা নিউজিলেণ্ডে নিৰ্ধাৰিত অ'ভাৰত ৮ টা উইকেট হেৰুৱাই ৩৩৭ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচেল আৰু গ্লেন ফিলিপ্ছে শতক অৰ্জন কৰে। ডেৰিল মিচেলে ১৩৭ আৰু  ফিলিপ্ছে ১০৬ ৰান কৰি আউট হয়। উইল য়ঙে ৩০ আৰু মাইকেল ব্ৰেছৱেলে ২৮ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ অশদীপ সিং আৰু হৰ্ষিত ৰানাই তিনিটাকৈ উইকেট দখল কৰে।  প্ৰত্যুত্তৰত ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ১৪ অভাৰত ৪টা উইকেট হেৰুৱাই ৭৮ ৰাণ সংগ্ৰহ কৰিছে।

ooooo

সমাপ্ত